জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা


নং ঃ ৭২/২০২০

## কলকাতাৰ ৰাচেল ষ্ট্ৰীটস্থিত অসম হাউচ চৌহদত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্ত্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

### এই প্ৰতিমূৰ্ত্তিৰ জৰিয়তে অসম আৰু পশ্চিমবংগৰ মাজত থকা কলা-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ সম্পৰ্ক অধিক শক্তিশালী হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কলকাতাৰ ৰাচেল ষ্ট্ৰীটস্থিত অসম হাউছ চৌহদত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তথা সাধাৰণ প্ৰশাসন আৰু গড়কাপ্টানি (গৃহ) বিভাগৰ সহযোগত নিৰ্মিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্ত্তি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই প্ৰতিমূৰ্ত্তিৰ জৰিয়তে অসম আৰু পশ্চিমবংগৰ মাজত থকা কলা-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ সম্পৰ্ক অধিক শক্তিশালী হ'ব বুলি কয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিমূৰ্ত্তিৰ জৰিয়তে দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজত থকা সুসম্পৰ্ক আৰু সমন্বয় অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি আমাৰ বাবে অত্যন্ত গৌৰৱৰ দিন। সাহিত্যৰথীগৰাকীয়ে এই কলকাতাৰ পৰাই ৰাজ্যখনৰ ভাষা-সাহিত্যৰ দিশলৈ যথেষ্ট অৰদান আগবঢ়াই গৈছে। অসমৰ নৱ প্ৰজন্মই সাহিত্যৰথীৰ আদৰ্শৰে বাট বুলি অসমখনক সকলো দিশৰ পৰা শক্তিশালী কৰা যাত্ৰাৰ সূচনা কৰিব লাগিব বুলিও তেওঁ কয়। এই প্ৰতিমূৰ্ত্তিয়ে নৱ প্ৰজন্মক সাহিত্যৰথীগৰাকীয়ে আগবঢ়াই যোৱা অৱদানৰ বিষয়েও সদায়ে সোঁৱৰাই থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত উপস্থিত থকা লখিমপুৰৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে কেৱল কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ জৰিয়তেহে প্ৰবল ইচ্ছাশক্তি জাগ্ৰত কৰি নৱ প্ৰজন্মই আগুৱাব লাগিব। তেতিয়াহে সাহিত্যৰথী গৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিমূৰ্ত্তিটো যাতে সকলো সময়তে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে তাৰ পদক্ষেপ ল'বলৈও অসম ভৱন কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিমূৰ্ত্তিটো নিৰ্মাণৰ ভাস্কৰ্য শিল্পী বিজু দাসৰ ভাস্কৰ্যৰো শলাগ লয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই জীৱনজোৰা সাধনাৰে অসমীয়া ভাষা-সাহিত্যলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে । শেহতীয়াকৈ অসমৰ নতুন চামে সাহিত্যৰথীগৰাকীয়ে আগবঢ়োৱা এই অৱদানৰ বিষয়ে অৱগত হৈ এক বৌদ্ধিক জাগৰণৰ সৃষ্টি কৰাটো জাতিটোৰ বাবে শুভ লক্ষণ বুলিও মন্ত্ৰী গৰাকীয়ে কয়। সাহিত্যৰথীগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছতে অসমীয়া ভাষা-সাহিত্যৰ দিশত যথেষ্ট অৱদান আগবঢ়াই গৈছে বুলিও তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰী গৰাকীয়ে ৰাচেল ষ্ট্ৰীটস্থিত বৰ্তমানৰ পুৰণি অসম ভৱনটো ভাঙি ১১ মহলীয়া এক অত্যাধুনিক অসম ভৱন

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা কৰি আছে বুলিও কয়। এই অসম ভৱনটোত আধুনিক প্ৰেক্ষাগৃহ ইত্যাদিৰ সুবিধা উপলব্ধ হ'ব বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে আমি সকলোৱে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক ৰসৰাজ হিচাপে সম্বোধন কৰো যদিও ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সাহিত্যৰথীক 'সাহিত্য সম্ৰাট' বুলি সম্বোধন কৰিছিল। এই গৰাকী সাহিত্যৰথীয়ে তাহানি কালতে কলিকতাত হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ সহযোগিত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ দিশত দিক নিৰ্ণয়কাৰী ভূমিকা লৈছিল বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে সাহিত্যৰথীয়ে সেই তাহানিকালতে কলকাতা আৰু ওড়িশাৰ চম্বলপুৰত থাকিও অসম আৰু অসমীয়া ভাষাৰ প্ৰতি উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। এক প্ৰকাৰ সেই তাহানি কালতে বেজবৰুৱাদেৱে পশ্চিমবংগ আৰু ওড়িশাৰ দৰে দুখন চুবুৰীয়া ৰাজ্যত থাকি এগৰাকী ৰাষ্ট্ৰদূতৰ দৰে দুখন ৰাজ্যৰ লগত অসমৰ সম্পৰ্ক মধুৰ কৰিছিল বুলি কয়। ভাষণ প্ৰসংগত তেওঁ কয় যে শংকৰদেৱৰ খোজেৰে লক্ষ্মীনাথ বেজবৰুৱাই ৰাজ্যখনৰ ভাষা-সাহিত্যৰ দিশলৈ যি অৱদান আগবঢ়াই গৈছে ঠিক তেনেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ পথেৰে ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাইও আমাৰ কৃষ্টি-সংস্কৃতিলৈ অনন্য অৱদান আগবঢ়াই গৈছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰীমা সেন বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ ড° ৰাজদ্বীপ ৰয়, বিধায়কদ্বয় ক্ৰমে ৰমাকান্ত দেউৰী আৰু বিমল বৰা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নাতিনী ইৰা ঘোষ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতিৰক্ষী সমিতিৰ সভাপতি প্ৰদ্যুৎ কুমাৰ চৌধুৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

**বঃভাঃ**
**১৬/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in